## 6.6 নিৰ্দেশনা আৰু পৰামৰ্শদানৰ মাজৰ পাৰ্থক্য (Differences between Guidance and Counselling) ঃ

নিৰ্দেশনা আৰু পৰামৰ্শদানৰ মাজত থকা পাৰ্থক্যসমূহ তলত দাঙি ধৰা হ'ল—

| নিৰ্দেশনা | পৰামৰ্শদান |
|---|---|
| ১। নিৰ্দেশনা হ'ল এনে এটা প্ৰক্ৰিয়া যিয়ে ব্যক্তিক আনৰ লগত আৰু পৰিস্থিতিৰ লগত মিলি যাবলৈ শিকায়। | ১। আনহতে পৰামৰ্শদান মানে হ'ল সোধপোচ কৰা, বুজাবুজিৰ মাজেৰে ভাৱৰ আদান প্ৰদান কৰা কাৰ্য্য। |
| ২। নিৰ্দেশনা হ'ল এক ব্যাপক প্ৰক্ৰিয়া। | ২। অৰ্থৰ ফালৰ পৰা পৰামৰ্শ দানৰ অৰ্থ ঠেক গণ্ডীৰ মাজত আবদ্ধ। |
| ৩। নিৰ্দেশনা কাৰ্য্যই পৰামৰ্শদানক সাঙুৰি লয়। | ৩। আনহাতে পৰামৰ্শদান হ'ল নিৰ্দেশনাৰ এটা অংশ। |
| ৪। নিৰ্দেশনা ব্যক্তিগত বা দলীয় হ'ব পাৰে। | ৪। পৰামৰ্শ হ'ল বক্তিগত। |
| ৫। নিৰ্দেশনা কাৰ্য্য সাধাৰণতে ব্যক্তিগত, শৈক্ষিক আৰু বৃত্তিগত সমস্যাৰ লগত জড়িত। | ৫। পৰামৰ্শদান প্ৰধানকৈ মানসিক স্বাস্থ্য আৰু আৱেগিক সমস্যাৰ লগত জড়িত। |
| ৬। নিৰ্দেশনা কিতাপ, আলোচনী আৰু যোগাযোগ মাধ্যমৰ জড়িয়তেওঁ দিব পৰা যায়। | ৬। কিন্তু পৰামৰ্শদানৰ ক্ষেত্ৰত সহযোগী আলোচনা, বুজাবুজি ভাৱৰ আদান প্ৰদান আদিৰ দৰকাৰ হয়। |
| ৭। নিৰ্দেশনা যিকোনো বক্তিয়ে দিব পাৰে। ইয়াৰ বাবে প্ৰশিক্ষণৰ দৰকাৰ নহয়। | ৭। পৰামৰ্শদানৰ বাবে আগতীয়া প্ৰশিক্ষণৰ প্ৰয়োজন হয়। |

Scanned by CamScanner

| নিৰ্দেশনা | পৰামৰ্শদান |
|---|---|
| ৮। নিৰ্দেশনা কৌশল দুই ধৰণৰ<br>(a) ব্যক্তিগত নিৰ্দেশনা কৌশল।<br>(b) দলীয় নিৰ্দেশনা কৌশল | ৮। পৰামৰ্শদান কৌশল তিনি প্ৰকাৰৰ<br>(a) প্ৰত্যক্ষ পৰামৰ্শ<br>(b) পৰোক্ষ পৰামৰ্শ আৰু<br>(c) সহযোগী পৰামৰ্শ। |

Scanned by CamScanner